3 (Sem–5) ASM M 4

**2014**

# ASSAMESE

( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত শ্ৰেষ্ঠ প্ৰাকৃত ভাষাটোৰ নাম লিখা।

(খ) মাগধী-প্ৰাকৃতৰ সৰ্ব প্ৰাচীন স্পষ্ট নিদৰ্শন ক'ত পোৱা যায়?

(গ) 'সুত্ত পিটক'ৰ শেষ গ্ৰন্থখনৰ নাম কি?

(ঘ) 'সন্দেশৰাসক' কাব্যখনক কি কাব্য বুলি কোৱা হয়?

(ঙ) কেতিয়াৰ পৰা অপভ্ৰংশ ভাষাই 'সাহিত্যৰ ভাষা' ৰূপে মৰ্যাদা লাভ কৰে বুলি অনুমান কৰিব পাৰি?

(চ) 'কৰ্পূৰ মঞ্জৰী'ত কোনটো প্ৰাকৃতক আধাৰ হিচাবে লোৱা হৈছে?

(ছ) 'ধম্মপদ'ৰ গাথাবিলাকক কেইটা বৰ্গগত ভাগ কৰা হৈছে?

২। উত্তৰ লিখা : ২×৪=৮

(ক) অৱহট্‌ঠ ভাষাৰ শেষ কবিজনৰ নাম কি? তেওঁ ৰচনা কৰা শেষ পুথিখনৰ নাম লিখা।

(খ) 'ত্ৰিপিটক' মানে কি বুজা?

(গ) পালি সাহিত্যক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি? ভাগকেইটাৰ নাম উল্লেখ কৰা।

(ঘ) অৱহট্‌ঠ ভাষাক কি কি দুটা ভাগত ভাগ কৰা হৈছে, উল্লেখ কৰা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'শকুন্তলা' নাটকৰ ষষ্ঠ অংকত তৎকালীন ভাৰতবৰ্ষৰ সামাজিক জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(খ) পালি নামৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা।

(গ) সট্টক কাক বোলে, বুজাই লিখা।

(ঘ) 'অৱহট্‌ঠ আৰু অসমীয়া ভাষা'—সম্পৰ্কে বুজাই লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) 'ধম্মপদ'ৰ অন্তৰ্গত 'অপ্পমাদ বগ্‌গ'ৰ দাৰ্শনিক তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা।

(খ) 'শকুন্তলা' নাটকৰ ষষ্ঠ অংকত—প্ৰাকৃত ভাষাৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা লিখা।

(গ) অৱহট্‌ঠ ভাষাৰ সাহিত্যৰাজিক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰিব পাৰি? ভাগবোৰ উল্লেখ কৰি 'সন্দেশৰাসক' কাব্যখনৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) 'কৰ্পূৰ মঞ্জৰী' সট্টকখনৰ ভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) পালি ভাষাৰ স্বৰবৰ্ণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) অপভ্ৰংশ ভাষাৰ আঞ্চলিক ৰূপকেইটাৰ নাম উল্লেখ কৰি এই ভাষাটোৰ (অপভ্ৰংশ ভাষাটোৰ) ব্যাকৰণগত বিশেষত্বসমূহ আলোচনা কৰা।

* * *